NEWZ NOW

সংখ্যা ১০ | মঙলবাৰ, ৩ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

ৰাজনীতি

'মল্লিকার্জুন খার্গেৰ বাৰাণ্ডাতহে প্রধানমন্ত্রী হ'ব পাৰিব ৰাহুল গান্ধী' - হিমন্ত বিশ্ব শর্মাৰ কটাক্ষ

ৰাহুল গান্ধীক লক্ষ্য কৰি 'মল্লিকার্জুন খার্গেৰ বাৰাণ্ডাতহে প্রধানমন্ত্রী হ'ব পাৰিব' বুলি কটাক্ষ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ। লোকসভাত নৰেন্দ্র মোদীয়েই প্রধানমন্ত্রী হৈ থাকিব বুলিও মন্তব্য কৰে তেওঁ।



NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৫

গুৱাহাটী, ৩ নৱেম্বৰ: কংগ্রেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক লক্ষ্য কৰি কটাক্ষ অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ। 'মল্লিকার্জুন খার্গেৰ বাৰাণ্ডাতহে ৰাহুল গান্ধী প্রধানমন্ত্রী হ'ব পাৰিব' বুলি মন্তব্য কৰি কংগ্রেছ নেতৃত্বক সমালোচনা কৰে মুখ্যমন্ত্রীগৰাকীয়ে।

লগতে লোকসভাত নৰেন্দ্র মোদীয়েই প্রধানমন্ত্রী হৈ থাকিব বুলিও মন্তব্য কৰে হিমন্ত বিশ্ব শর্মাই।

ৰাহুল গান্ধীৰ প্রধানমন্ত্রী হোৱাৰ আকাংক্ষাক লক্ষ্য কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয় যে প্রকৃত...

সম্পূর্ণ খবৰ:
https://newznow.in/news/514

দেশ

চৰকাৰী ভূমিত স্থায়ী মছজিদ 'ধর্মনিৰপেক্ষ চৰিত্রৰ পৰিপন্থী', শতিকা পুৰণি মছজিদ আঁতৰোৱাৰ পৰিকল্পনা কেন্দ্রৰ



তুন দিল্লী, ৩ নৱেম্বৰ: দিল্লীৰ কৃষি ভৱন চৌহদত থকা শতিকা পুৰণি কদিমি মছজিদ আঁতৰোৱাৰ পৰিকল্পনা কৰিছে কেন্দ্রীয় চৰকাৰে।
পঢ়ক: https://newznow.in/news/552

ৰাজনীতি

৩০ নৱেম্বৰত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন, ৩ ডিচেম্বৰত ভোটগণনা



৩ নৱেম্বৰ: সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ২০২৬ চনৰ সাধাৰণ নির্বাচনৰ দিন ঘোষণা কৰিছে অসম ৰাজ্যিক নির্বাচন আয়োগে।
পঢ়ক: https://newznow.in/news/594

অসম

কাৰাগাৰৰ পৰাই পুনৰ গ্রেপ্তাৰ হ'ব ঘনকান্ত গগৈ? নিশাই শিৱসাগৰলৈ নিয়াৰ সম্ভাৱনা



৩ নৱেম্বৰ: গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত পাঁচজন লোকৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত ঘনকান্ত গগৈক আজি CJM আদালতে ন্যায়িক...
পঢ়ক: https://newznow.in/news/626

অসম

"মই হয়তো জীয়াই নাথাকিম।": গৰিমা শইকীয়া গার্গ; উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ নিয়াৰ পৰিকল্পনা



গুৱাহাটী, ৩ নৱেম্বৰ:৩ নৱেম্বৰ: পুনৰ অসুস্থ হৈ গুৱাহাটীৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা প্রয়াত শিল্পী জুবিন গার্গৰ পত্নী...
পঢ়ক: https://newznow.in/news/609

ভিতৰৰ পাতত

অনুসন্ধান: কিশোৰী পুষ্টি আঁচনিত চাউল ক্রয়ৰ ন...

ৰাজনীতি: সংখ্যালঘু এলেকাত সংগঠন বঢ়োৱাই BJPৰ...

উত্তৰ-পূর্বাঞ্চল: BSF জোৱানক আক্রমণৰ ঘটনাত ৬জন গ্রেপ...

অসম: গুৱাহাটীলৈ আহিব বুলেট ট্রেইন! চিকে...

অনুসন্ধান

কিশোৰী পুষ্টি আঁচনিত চাউল ক্ৰয়ৰ নামত ₹৭.২৪ কোটি অতিৰিক্ত ব্যয়! CAG-ৰ অডিটত উন্মোচিত তথ্য

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৫



গুৱাহাটী: অসমৰ মহিলা আৰু শিশু বিকাশ সঞ্চালকালয়ে (DWCD) কেন্দ্ৰীয় চৰকাৰে পুষ্টিহীনতাত ভোগা, বিদ্যালয়ৰ বাহিৰত থকা কিশোৰীসকলৰ বাবে আবণ্টন দিয়া ৩,১০৯.৮৯ মেট্ৰিক টন (MT) ৰাজসাহায্যযুক্ত চাউল সংগ্ৰহ কৰিবলৈ অস্বীকাৰ কৰি ৰাজহুৱা কোষাগাৰৰ ৭.২৪ কোটি টকাৰ এৰাব পৰা লোকচান ঘটালে। তাৰ পৰিৱৰ্তে ৬১টা বেচৰকাৰী সংস্থা (NGO) আৰু আত্মসহায়ক গোটৰ (SHG) জৰিয়তে মুকলি বজাৰৰ পৰা ভাৰতীয় খাদ্য নিগমৰ (FCI) নিৰ্ধাৰিত মূল্যতকৈ সৰ্বাধিক ৬.৭ গুণ অধিক দামত চাউল ক্ৰয় কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/593

উত্তৰ-পূৰ্বাঞ্চল

BSF জোৱানক আক্ৰমণৰ ঘটনাত ৬জন গ্ৰেপ্তাৰ, আনক সোধা-পোছা

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩২



আগৰতলা, ৩ নৱেম্বৰঃ

ত্ৰিপু�ৰাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সমীপত BSF জোৱানক আক্ৰমণৰ ঘটনাত ৬জনক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ঘটনাটোৰ সৈতে জড়িত থকাৰ সন্দেহত আন কেইবাজনো লোকক সোধা-পোছা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/524

ৰাজনীতি

সংখ্যালঘু এলেকাত সংগঠন বঢ়োৱাই BJPৰ লক্ষ্য, মতাদৰ্শত আপোচ নহয়: মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৮



গুৱাহাটী, ২ নৱেম্বৰ: সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ প্ৰচেষ্টা চলাব লাগে। কিন্তু এই প্ৰচেষ্টাত দলৰ আদৰ্শৰ সৈতে কোনো ধৰণৰ আপোচ কৰিব নালাগে। বিজেপিৰ কৰ্মীসকলক এই সতৰ্কবাণী দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

অসম বিজেপিয়ে সংখ্যালঘু বসতিপ্ৰধান অঞ্চলসমূহত সাংগঠনিক উপস্থিতি ক্ৰমাৎ বৃদ্ধি কৰিছে। দলৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত কৰ্মীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে, সাংগঠনিক সম্প্ৰসাৰণৰ নামত দলৰ আদৰ্শ বিসৰ্জন দিব নোৱাৰি।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/544

অসম

গুৱাহাটীলৈ আহিব বুলেট ট্ৰেইন! চিকেন নেকত সমান্তৰাল ৰে'লপথ নিৰ্মাণৰ পৰিকল্পনা

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৯



গুৱাহাটী: গুৱাহাটীলৈ বুলেট ট্ৰেইন সম্প্ৰসাৰণৰ অনুমোদন লাভ কৰা বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁৰ মতে, চিকেন নেকৰ ভৌগোলিক সীমাবদ্ধতাৰ বাবে প্ৰথমে এই প্ৰকল্পক লৈ কাৰিকৰী অসুবিধা আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/523

দেশ

সাহাৰানপুৰত ভুৱা ২০ টকীয়া মুদ্ৰা চক্ৰৰ ছয়জন গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



ভুৱা ২০ টকীয়া মুদ্ৰা প্ৰস্তুত কৰি বজাৰত প্ৰচলন কৰাৰ অভিযোগত উত্তৰ প্ৰদেশৰ সাহাৰানপুৰ আৰক্ষীয়ে এটা চক্ৰৰ ছয়জন সদস্যক গ্ৰেপ্তাৰ কৰিছে। হাৰিয়ানাৰ সোণিপতৰ পৰা যন্ত্ৰপাতি উত্তৰ প্ৰদেশলৈ নিয়াৰ সময়ত প্ৰথমে পাঁচজনক আটক কৰা হৈছিল।

আৰক্ষীৰ মতে, গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে উপকাৰ লুথৰা ওৰফে অভয় প্ৰতাপ সিংহ (৬২), সাহাৰানপুৰৰ হিমাংশু ওৰফে গুল্লু, মুজাফ্ফৰনগৰৰ কুলদীপ, বিহাৰৰ মধুবনীৰ সন্তোষ চৌৰাছিয়া ওৰফে জনার্দন আৰু উত্তৰ প্ৰদেশৰ সন্ত ৰবিদাস নগৰৰ অনুৰাগ পাল ওৰফে লংকেশ।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/528

দেশ

অনিৰ্দিষ্টকাল ধৰি প্ৰতিবাদস্থলী দখল কৰি ৰাখিব নোৱাৰি: উচ্চতম ন্যায়ালয়

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৮



নতুন দিল্লী, ৩ নৱেম্বৰ: দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে চলি থকা প্ৰতিবাদক লৈ গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে উচ্চতম ন্যায়ালয়ে। কোনো প্ৰতিবাদী গোটে অনিৰ্দিষ্টকাললৈ এটা নিৰ্ধাৰিত প্ৰতিবাদস্থলী দখল কৰি ৰাখিব নোৱাৰে বুলি মন্তব্য কৰিছে মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ নেতৃত্বাধীন বিচাৰপীঠে। মঙলবাৰে ব্যৱসায়ী সংগঠনৰ আবেদনৰ শুনানিৰ সময়ত আদালতে কয়, প্ৰতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু সেই অধিকাৰৰ সৈতে আন নাগৰিকৰ অধিকাৰৰো ভাৰসাম্য ৰক্ষা কৰিব লাগিব।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/548

আন্তঃৰাষ্ট্ৰীয়

নেপালত অৱতৰণৰ সময়ত দুখন হেলিকপ্টাৰৰ সংঘৰ্ষ, ভাৰতীয় নাগৰিকৰ মৃত্যু

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৭



গুৱাহাটী, ৩ নৱেম্বৰ: নেপালৰ ছোলুখুম্বু জিলাত অৱতৰণৰ সময়ত দুখন হেলিকপ্টাৰৰ মাজত সংঘৰ্ষৰ ফলত এগৰাকী ৪৭ বছৰীয়া ভাৰতীয় নাগৰিকৰ মৃত্যু হৈছে। এই ঘটনাত ভাৰতীয় মূলৰ এগৰাকী ৫৩ বছৰীয়া নিউজিলেণ্ডৰ নাগৰিক আহত হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/506

মনোৰঞ্জন

মুক্তিৰ পূৰ্বেই ১০০ কোটিৰ ব্যৱসায় 'ৰামায়ণ'ৰ, এতিয়া লক্ষ্য 'ধুৰন্ধৰ ২'-ৰ অভিলেখ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১১



গুৱাহাটী, ৩ নৱেম্বৰঃ

মুক্তিৰ পূৰ্বেই বক্স অফিচত শক্তিশালী আৰম্ভণিৰ ইংগিত দিছে 'ৰামায়ণ: পাৰ্ট ৱান'-এ।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/519

আন্তঃৰাষ্ট্ৰীয়

শিশু নির্যাতনৰ অভিযোগত মালদ্বীপৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী আব্দুল্লা শ্বাহিদ গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৪



মালে, ৩ নৱেম্বৰ: শিশু নির্যাতনৰ গুৰুতৰ অভিযোগত মালদ্বীপৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী আব্দুল্লা শ্বাহিদক গ্ৰেপ্তাৰ কৰিছে দেশখনৰ আৰক্ষীয়ে। ১৮ বছৰৰ তলৰ এগৰাকী শিশুক যৌন নির্যাতন চলোৱাৰ সন্দেহত আদালতৰ পৰোৱানাৰ ভিত্তিত সোমবাৰে নিশা তেওঁক গ্ৰেপ্তাৰ কৰা হয়।

আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, ২ নৱেম্বৰৰ নিশা প্ৰায় ৯ বাজি ৫৯ মিনিটত শ্বাহিদক আটক কৰা হয়। অৱশ্যে ঘটনাটোৰ সবিশেষ আৰু অভিযোগৰ সৈতে জড়িত অধিক তথ্য এতিয়ালৈকে ৰাজহুৱা কৰা নাই। বর্তমান আৰক্ষীয়ে গোচৰটোৰ তদন্ত অব্যাহত ৰাখিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/556

অসম

চেনিৰ বস্তাৰ আঁৰত কফ ছিৰাপ সৰবৰাহৰ চেষ্টা, কাছাৰত ১.২৬ কোটি টকাৰ কফ ছিৰাপ জব্দ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩০



চেনিৰ বস্তাৰ আঁৰত লুকুৱাই বৃহৎ পৰিমাণৰ কফ ছিৰাপ সৰবৰাহৰ চেষ্টা চলোৱাৰ সময়তে কাছাৰ আৰক্ষীয়ে জব্দ কৰে ৪৭ হাজাৰ বটল কফ ছিৰাপ। বৰখলা আৰক্ষীয়ে বালাছড়া টোলগেটত অভিযান চলাই এখন ট্ৰাকৰ পৰা এই ছিৰাপখিনি উদ্ধাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/560

দেশ

'বিজেপি বিদায় ল'লে বেনাৰসত হাঁহি বিৰিঙিব' - অখিলেশ যাদৱৰ মন্তব্য

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৯



বেনাৰস, ৩ নৱেম্বৰ: বিজেপিৰ বিদায়ক লৈ তাৎপর্যপূর্ণ মন্তব্য সমাজবাদী পার্টীৰ ৰাষ্ট্ৰীয় সভাপতি অখিলেশ যাদৱৰ। 'বিজেপি বিদায় ল'লে বেনাৰসত হাঁহি বিৰিঙিব' বুলি মন্তব্য কৰি শাসকীয় দলটোক লক্ষ্য কৰি কটাক্ষ কৰে উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে।

বিজেপিৰ শাসনৰ অৱসান ঘটিলে বেনাৰসৰ জনসাধাৰণৰ মাজত পুনৰ আনন্দৰ পৰিৱেশ ঘূৰি আহিব বুলি মন্তব্য কৰে অখিলেশ যাদৱে।

শেহতীয়াকৈ বেনাৰসৰ বিধান পৰিষদৰ নির্বাচনত সমাজবাদী পার্টীয়ে দুয়োখন আসন লাভ কৰাৰ পাছতে বিজেপিক লক্ষ্য কৰি সমালোচনা কৰিছিল অখিলেশে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/568

দেশ

'আচল সংসদত প্ৰধানমন্ত্ৰী হ'ব নোৱাৰে ৰাহুল গান্ধী, নকল সংসদতে হওক' - কটাক্ষ অমিত শ্বাহৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, পুৱা ১১:৪০



২ নৱেম্বৰ: কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক লৈ পুনৰ কটাক্ষ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/495

অসম

AEC ছাত্রাবাসৰ পানীৰ টেংকিত মৃত বান্দৰ; চিকিৎসালয়ত প্রায় ৫০ শিক্ষার্থী

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৯



গুৱাহাটী, ৩ নৱেম্বৰঃ

গুৱাহাটীৰ অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ (এইচি) ৭ নম্বৰ হোষ্টেলৰ খোৱাপানীৰ টেংকীত এটা গেলি-পচি যোৱা বান্দৰৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাৰ পিছতে ৫০ৰো অধিক শিক্ষার্থী অসুস্থ হৈ পৰা বুলি জানিব পৰা গৈছে।

শিক্ষার্থীসকলৰ অভিযোগ অনুসৰি, মৃত বান্দৰটোৰ শৱদেহ প্রায় এসপ্তাহ ধৰি টেংকীটোৰ ভিতৰত পৰি আছিল। সেই সময়ছোৱাত হোষ্টেলৰ আৱাসীসকলে একেটা পানী খোৱা আৰু ৰন্ধা-বঢ়াৰ কামত ব্যৱহাৰ কৰি আছিল।

ছাত্রসকলে লগতে অভিযোগ কৰিছে যে বান্দৰটোৰ মৃতদেহ উদ্ধাৰৰ কেইবাদিনো আগৰে পৰা পানীৰ পৰা দুর্গন্...

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/532

অসম

শদিয়াত ধুমুহাৰ তাণ্ডৱ, এজনৰ মৃত্যু; বন্ধ ১১৫ নং ৰাষ্ট্রীয় ঘাইপথ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৬



শদিয়া, ৩ নৱেম্বৰঃ

উজনি অসমৰ শদিয়াত সোমবাৰে নিশা অহা প্রচণ্ড ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰিছে। ধুমুহাৰ ফলত গছ বাগৰি পৰি এজন শ্রমিকৰ মৃত্যু হৈছে। আনহাতে, গছ বাগৰি ১১৫ নং ৰাষ্ট্রীয় ঘাইপথো বন্ধ হৈ পৰে।

মৃত লোকজনৰ নাম শংকৰ শ্বাহ। তেওঁ ঢলা অঞ্চলৰ বাসিন্দা। মাৰোৱাৰী পট্টিত ধুমুহাৰ সময়ত এডাল প্রকাণ্ড গছ তেওঁৰ ওপৰত বাগৰি পৰাত মৃত্যু হোৱা বুলি জানিব পৰা গৈছে।

গছডাল বাগৰি শদিয়াৰ পৰা চাপাখোৱালৈ সংযোগ কৰা ১১৫ নং ৰাষ্ট্রীয় ঘাইপথ অৱৰোধ কৰে। ফলত পথটোত তীব্র যান-জঁটৰ সৃষ্টি হয়। মঙলবাৰে পুৱালৈকে বহু বাহন পথতে আবদ্ধ হৈ থাকে।

ধুমুহাৰ প্রচণ্ড বতাহত কেইবাটাও বাসগৃহৰ ক্ষতিসাধন হোৱাৰ লগতে বিদ্যুৎ যোগানো ব্যাহত হয়। সংশ্লিষ্ট কর্তৃপক্ষই পথৰ পৰা গছ আঁতৰাই যাতায়াত পুনৰ স্বাভাৱিক কৰাৰ চেষ্টা চলাইছে। লগতে ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণৰ কামো অব্যাহত আছে

সম্পূর্ণ খবৰ:
https://newznow.in/news/536

ক্রীড়া

১৪ বছৰীয়া কেৰিয়াৰৰ সামৰণি; আন্তঃৰাষ্ট্রীয় ক্রিকেটক বিদায় গ্লেন মেক্সৱেলৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৬



৩ নৱেম্বৰ: অষ্ট্রেলিয়াৰ তাৰকা অলৰাউণ্ডাৰ গ্লেন মেক্সৱেলে আন্তঃৰাষ্ট্রীয় ক্রিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:
https://newznow.in/news/564

দেশ

শ্রীকৃষ্ণক লৈ আপত্তিজনক মন্তব্যৰ অভিযোগ! ক্ষমা খুজিলে ধীৰেন্দ্র শাস্ত্রীয়ে

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২০



পুনৰ বিতৰ্কত বাগেশ্বৰ ধামৰ পীঠাধীশ ধীৰেন্দ্র কৃষ্ণ শাস্ত্রী। ভগৱান শ্রীৰামৰ সৈতে তুলনা কৰি ভগৱান শ্রীকৃষ্ণক লৈ কৰা মন্তব্যৰ পাছতে সৃষ্টি হোৱা বিতৰ্কৰ বাবে অৱশেষত ক্ষমা খুজিলে বাগেশ্বৰ বাবাই। মধ্যপ্রদেশৰ শিৱপুৰী জিলাৰ কেৰাৰাত অনুষ্ঠিত ৰামকথাৰ অনুষ্ঠানত শ্রীকৃষ্ণৰ ৰূপ, ভংগীমা আৰু বাঁহী বজোৱাৰ ধৰণক লৈ মন্তব্য কৰিছিল ধীৰেন্দ্র শাস্ত্রীয়ে। সেই ভিডিঅ' সামাজিক মাধ্যমত বিয়পি পৰাৰ পাছতে বিভিন্ন ধর্মীয় সংগঠন আৰু সাধু-সন্তই আপত্তি প্রকাশ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/580

দেশ

'ভাৰত এখন ধর্মনিৰপেক্ষ দেশ', দিয়া মির্জাৰ দীপাৱলীৰ বিজ্ঞাপন পুনৰ প্রকাশৰ পৰামর্শ বম্বে উচ্চ ন্যায়ালয়ৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০০



মুম্বাই, ৩ নৱেম্বৰ: অভিনেত্রী দিয়া মির্জাক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে গুৰুত্বপূর্ণ মন্তব্য কৰিছে বম্বে উচ্চ ন্যায়ালয়ে। বৃহন্মুম্বাই পৌৰ নিগমে (BMC) আঁতৰাই দিয়া দীপাৱলীৰ বিজ্ঞাপনটো পুনৰ প্রকাশৰ পৰামর্শ দিছে ন্যায়ালয়ে। বিজ্ঞাপনটো আঁতৰোৱা সিদ্ধান্তক লৈ আদালতে অসন্তুষ্টিও প্রকাশ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/515

অসম

গাড়ী পার্কিঙক লৈয়েই সূত্রপাত হৈছিল গুৱাহাটীৰ বৰা চার্ভিচস্থিত Hotel Bilas Inn ৰ ভয়ংকৰ ঘটনাৰ।

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:০০



গুৱাহাটী, ৩ নৱেম্বৰ: হেলেনা ভৰালীৰ পৰিয়ালৰ পাঁচগৰাকী লোকৰ মৃত্যুৰ কাৰণ হোৱা গুৱাহাটীৰ হোটেল বিলাস ইন গুলীচালনাৰ ঘটনাক লৈ নতুন বিৱৰণ দিলে আহত সত্যেন্দ্র পাঠকে।

বিধায়ক দীপক কুমাৰ দাসৰ সন্মুখত ঘটনাৰ বিৱৰণ দাঙি ধৰে সত্যেন্দ্রই। তেওঁৰ ভাষ্য অনুসৰি, গুলীচালনাৰ পূর্বে প্রথমে গাড়ী পার্কিঙক কেন্দ্র কৰি ঘনকান্ত গগৈ আৰু হেলেনা ভৰালীৰ পুত্র দেৱর্ষি কাশ্যপৰ মাজত বাক্‌বিতণ্ডাৰ সৃষ্টি হৈছিল।

সত্যেন্দ্রৰ বর্ণনা অনুসৰি, গাড়ী ৰখাক লৈ আৰম্ভ হৈছিল দুয়োপক্ষৰ মাজৰ মতানৈক্য। এই ঘটনাত দেৱর্ষি কাশ্যপৰ সৈতে ঘনকান্ত গগৈৰ বাক্‌বিতণ্ডা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/573

ৰাজনীতি

'ৰাহুলৰ ভাষণে BJPক লাভান্বিত কৰে, ৰাহুল গান্ধী BJPৰ সম্পদ' : BJPৰ বিধায়ক দিলীপ ৰঞ্জন শর্মাৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৩



৩ নৱেম্বৰ: কংগ্রেছ নেতা ৰাহুল গান্ধীক তীব্র কটাক্ষ কৰিছে অসম BJPৰ বিধায়ক দিলীপ ৰঞ্জন শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/599

দেশ

ওমানৰ উপকূলত ভাৰতীয় জাহাজত আক্রমণ! এজন নাবিকৰ মৃত্যু, ১৩জনক উদ্ধাৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫১



৩ নৱেম্বৰঃ

ওমানৰ উপকূলৰ সমীপত ভাৰতীয় পতাকাবাহী এখন জাহাজত অচিনাক্ত আকাশী বস্তুৰ আঘাতত এজন ভাৰতীয় নাবিকৰ মৃত্যু হৈছে। জাহাজখনত থকা আন ১৩জন নাবিকক উদ্ধাৰ কৰিছে ওমানৰ উপকূলৰক্ষী বাহিনীয়ে।

কেন্দ্রীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে মঙলবাৰে এই কথা প্রকাশ কৰে। তেওঁৰ মতে, ২ নৱেম্বৰত ওমানৰ উপকূলৰ সমীপেৰে গৈ থকা অৱস্থাত 'MSV AL JUSUFI' নামৰ ভাৰতীয় জাহাজখনত আঘাত লাগে।

জাহাজখনত মুঠ ১৪জন ভাৰতীয় নাবিক আছিল। আঘাতৰ ফলত গুৰুতৰভাৱে আহত হোৱা গুজৰাটৰ গান্ধাৰ নাহিম আজিজৰ পিছত মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/540

অসম

৭ দিনৰ আৰক্ষী জিম্মাৰ অন্ত, ন্যায়িক জিম্মালৈ ঘনকান্ত গগৈ

শাহ আলম | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১১



গুৱাহাটী, ৩ নৱেম্বৰ: হোটেল বিলাস ইনত সংঘটিত গুলীচালনাৰ ঘটনাৰ অভিযুক্ত ঘনকান্ত গগৈৰ সাত দিনৰ আৰক্ষী জিম্মাৰ ম্যাদ আজি অন্ত পৰে। ইয়াৰ পিছতে তেওঁক CJM আদালতত হাজিৰ কৰোৱা হয়। আদালতে ঘনকান্ত গগৈক ন্যায়িক জিম্মালৈ প্রেৰণ কৰে।

উল্লেখ্য যে, ২৬ অক্টোবৰত গুৱাহাটীৰ হোটেল বিলাস ইনত সংঘটিত গুলীচালনাৰ ঘটনাত হোটেলখনৰ স্বত্বাধিকাৰীৰ পৰিয়ালৰ চাৰিজন সদস্যসহ মুঠ পাঁচজন লোকৰ মৃত্যু হৈছিল। আন এজন লোক আহত হৈছিল। এই ঘটনাৰ পিছতে ঘনকান্ত গগৈক গ্রেপ্তাৰ কৰি সাত দিনৰ আৰক্ষী জিম্মালৈ প্রেৰণ কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/500

দেশ

'নেহা বৰাৰ বক্তব্য বিষাক্ত চিন্তাৰ পৰিচয়' - গৌৰৱ ভাটিয়া

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৬



বিজেপিৰ মুখপাত্র গৌৰৱ ভাটিয়াই নেহা বৰাৰ বক্তব্যক লৈ তীব্র সমালোচনা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/569

অসম

শাসকীয় দলেও ৰাজপথত আন্দোলন কৰিব পাৰে, গান্ধীজীয়েও কৰিছিল : হিমন্ত বিশ্ব শর্মা

শাহ আলম | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৮



গুৱাহাটী, ৩ নৱেম্বৰ: শাসনত থকা অৱস্থাত BJPয়ে ৰাজপথলৈ ওলাই আন্দোলন কৰাক লৈ একাংশ কংগ্রেছীয়ে প্রশ্ন উত্থাপন কৰাৰ পিছতে প্রত্যুত্তৰ দিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/502

অসম

৯৩সংখ্যক নলবাৰী ৰাস মহোৎসৱৰ প্ৰস্তুতিৰ বুজ ল'লে জয়ন্ত মল্ল বৰুৱাই

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৩০



৩ নৱেম্বৰ: ৯৩সংখ্যক নলবাৰী ৰাস মহোৎসৱৰ প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰিলে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। শ্ৰীশ্ৰী হৰিমন্দিৰত অনুষ্ঠিত এখন বৈঠকত মহোৎসৱৰ আহ্বায়ক, সহ-আহ্বায়ক আৰু বিভিন্ন উপ-সমিতিৰ সদস্যসকলৰ সৈতে তেওঁ প্ৰস্তুতিৰ বুজ লয়।

বৈঠকত প্ৰতিখন উপ-সমিতিৰ কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে মহোৎসৱ সুকলমে অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে বিধায়কগৰাকীয়ে। সময়মতে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰিবলৈ সমিতিসমূহৰ মাজত সমন্বয় ৰখাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/589

উত্তৰ-পূৰ্বাঞ্চল

ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ তলত তেল-গেছ খননৰ প্ৰস্তাৱ, কেন্দ্ৰ আৰু অসম চৰকাৰৰ পৰা উত্তৰ বিচাৰিলে উচ্চতম ন্যায়ালয়ে

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, নিশা ৭:৩৯



৩ নৱেম্বৰ: ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ তলত Extended Reach Drilling (ERD) প্ৰযুক্তিৰে হাইড্ৰ'কাৰ্বন অন্বেষণৰ প্ৰস্তাৱক লৈ Oil India Limited (OIL)-এ দাখিল কৰা আবেদনৰ ভিত্তিত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয় তথা অসম চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে উচ্চতম ন্যায়ালয়ে। মঙলবাৰে মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰ বিচাৰপীঠে এই নিৰ্দেশ দিয়ে।

OIL-এ ৰাষ্ট্ৰীয় উদ্যানখনৰ তলত হাইড্ৰ'কাৰ্বন অন্বেষণৰ প্ৰস্তাৱ নাকচ কৰা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আদালতৰ কাষ চাপিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/630

দেশ

'ইছলামিক মৌলবাদীয়ে ধৰ্মনিৰপেক্ষতাৰ কথা কোৱাৰ দৰে' - ৰাহুল গান্ধীক কিৰেন ৰিজিজুৰ কটাক্ষ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, নিশা ৭:৩২



৩ নৱেম্বৰ: প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী শক্তিৰ সহায়ত ক্ষমতাত থকাৰ অভিযোগ উত্থাপন কৰা কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/622

দেশ

ইণ্ডিয়া মিত্ৰজোঁটৰ সাংসদ ৰুহুল্লাহ মেহদীৰ পদত্যাগ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, নিশা ৭:২৩



৩ নৱেম্বৰ: ইণ্ডিয়া মিত্ৰজোঁটৰ অংশীদাৰ দল নেচনেল কনফাৰেন্সৰ সাংসদ আগা ছৈয়দ ৰুহুল্লাহ মেহদীয়ে শ্ৰীনগৰ লোকসভা সমষ্টিৰ সাংসদ পদৰ পৰা পদত্যাগ কৰাৰ লগতে দলটোৰ সৈতে ২৪ বছৰীয়া ৰাজনৈতিক সম্পৰ্কৰ অন্ত পেলাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/618

অসম

দলৰ সাংগঠনিক শক্তি বৃদ্ধিত গুৰুত্ব বিজেপিৰ; মুখ্যমন্ত্রীৰ উপস্থিতিত বিজেপিৰ কৰ্ণধাৰ সভা

শ্বাহ আলম | ৩ নৱেম্বৰ ২০২৬, নিশা ৭:১১



৩ নৱেম্বৰ: মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ উপস্থিতিত মঙলবাৰে গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত বিজেপি অসম প্রদেশৰ ৰাজ্যিক কৰ্ণধাৰ সভা অনুষ্ঠিত হয়। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত দলৰ সাংগঠনিক শক্তি বৃদ্ধি, শেহতীয়া নির্বাচনী সফলতাৰ পর্যালোচনা আৰু আগন্তুক দিনৰ ৰাজনৈতিক তথা সাংগঠনিক কার্যপন্থাক লৈ বিস্তৃত আলোচনা কৰা হয়।

সভাত মুখ্যমন্ত্রীৰ লগতে ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্র ৰাজু, অসম বিজেপিৰ নৱনিযুক্ত প্রভাৰী মংগল পাণ্ডে, সহঃপ্রভাৰী এছ ফাংনন কন্যাক আৰু মনোজ টিম্বা তথা উত...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/617

উত্তৰ-পূর্বাঞ্চল

মেঘালয়ৰ MDA-II চৰকাৰৰ পৰা UDPৰ সমর্থন প্রত্যাহাৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৫২



৩ নৱেম্বৰ: মেঘালয়ৰ কনৰাড কে চাংমা নেতৃত্বাধীন MDA-II চৰকাৰৰ পৰা আনুষ্ঠানিকভাৱে সমর্থন প্রত্যাহাৰ কৰিলে United Democratic Party (UDP)-এ।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/605

দেশ

উত্তৰ প্রদেশত NDAৰ বাহিৰত থাকি নির্বাচন খেলিবলৈ সাজু চিৰাগ পাছোৱান

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, নিশা ৭:০৮



৩ নৱেম্বৰ: ২০২৭ চনৰ উত্তৰ প্রদেশ বিধানসভা নির্বাচনত প্রয়োজন হ'লে NDAৰ বাহিৰত থাকিও অকলেই প্রতিদ্বন্দ্বিতা কৰিবলৈ সাজু বুলি ইংগিত দিছে কেন্দ্রীয় মন্ত্রী তথা লোক জনশক্তি পার্টি (ৰাম বিলাস)ৰ মুৰব্বী চিৰাগ পাছোৱানে। দলটোৱে ৰাজ্যখনৰ ৪০৩টা বিধানসভা সমষ্টিতে প্রার্থী প্রক্ষেপ কৰিবলৈ সম্পূর্ণৰূপে সাজু বুলি তেওঁ উল্লেখ কৰে।

মঙলবাৰে পাটনাত ANIৰ সৈতে হোৱা এক সাক্ষাৎকাৰত পাছোৱানে কয় যে উত্তৰ প্রদেশত নির্বাচনী প্রস্তুতি পূর্ণগতিত চলিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/613

অসম

'বিদ্যুতৰ মাচুল ৫ পইচাতকৈ অধিক নাবাঢ়ে', দাবী মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ

শ্বাহ আলম | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৯



গুৱাহাটী: ৰাজ্যত বিদ্যুতৰ মাচুল বৃদ্ধিক লৈ চলি থকা চর্চাৰ মাজতে এই সন্দর্ভত নিজৰ স্থিতি স্পষ্ট কৰিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই। বিদ্যুতৰ মাচুল বৃহৎ হাৰত বৃদ্ধি হোৱাৰ সম্ভাৱনা নাকচ কৰি মুখ্যমন্ত্রীয়ে দাবী কৰিছে যে গ্রাহকৰ ওপৰত সর্বাধিক পাঁচ পইচাৰ অতিৰিক্ত বোজাহে পৰিব। অৱশ্যে এই অতিৰিক্ত মাচুল স্থায়ী নহ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/510

উত্তৰ-পূৰ্বাঞ্চল

ছিয়াং মেগা বান্ধৰ সিদ্ধান্তত ৰাইজৰ সন্মতি বাধ্যতামূলক: অৰুণাচলৰ মুখ্যমন্ত্রী

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



৩ নৱেম্বৰ: ৰাইজৰ সন্মতি অবিহনে ছিয়াং উচ্চ বহুমুখী প্রকল্প (Siang Upper Multipurpose Project) সন্দর্ভত কোনো চূড়ান্ত সিদ্ধান্ত গ্রহণ কৰা নহ'ব বুলি আশ্বাস দিছে অৰুণাচল প্রদেশৰ মুখ্যমন্ত্রী পেমা খাণ্ডুৱে। প্রকল্পটোক লৈ আপাৰ ছিয়াং জিলাত প্রতিবাদ তীব্রতৰ হোৱাৰ লগতে ৩৬ ঘণ্টীয়া বন্ধ পালন কৰাৰ সময়তে থলুৱা আদি জনগোষ্ঠীৰ লোকসকলৰে এখন মুকলি পত্র প্রেৰণ কৰি এই আশ্বাস দিয়ে মুখ্যমন্ত্রীগৰাকীয়ে। প্রস্তাৱিত প্রকল্পটোৰ বিদ্যুৎ উৎপাদন ক্ষমতা ১১,২০০ মেগাৱাট। প্রকল্পটোক লৈ স্থানীয় লোকসকলৰ মাজত ভূমি অধিগ্রহণ, ঘৰ-বাৰী হেৰুওৱা আৰু স্থানচ্যুত হোৱাৰ আশং...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/585

আন্তঃৰাষ্ট্রীয়

বেতন বৃদ্ধিৰ দাবীত উত্তাল বাংলাদেশ; পৰিস্থিতিৰ ওপৰত নজৰ ভাৰতৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১৩



৩ নৱেম্বৰ: বাংলাদেশত বেতন বৃদ্ধিৰ দাবীত পোছাক উদ্যোগৰ শ্রমিকসকলে সাব্যস্ত কৰা প্রতিবাদে হিংসাত্মক ৰূপ লৈছে। পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে ভাৰতে। মঙলবাৰে ভাৰতৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ মুখপাত্র ৰণধীৰ জয়ছোৱালে কয় যে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত ভাৰতে নিৰন্তৰ নজৰ ৰাখিছে।

বাংলাদেশৰ ৰাজধানী ঢাকা, গাজীপুৰ, আশুলিয়া আৰু নাৰায়ণগঞ্জকে ধৰি কেইবাটাও অঞ্চলত প্রতিবাদকাৰী আৰু আইন-শৃংখলা বাহিনীৰ মাজত সংঘর্ষৰ ঘটনা সংঘটিত হৈছে। প্রতিবাদকাৰীয়ে বাহন ভাঙি-ছিঙি পেলোৱাৰ লগতে গুৰুত্বপূর্ণ পথ অৱৰোধ কৰাৰ অভিযোগ উঠিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/576

দেশ

অভিষেক বেনার্জীৰ আবেদন খাৰিজ উচ্চতম ন্যায়ালয়ৰ

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১৮



৩ নৱেম্বৰ: নিজৰ বিৰুদ্ধে চলি থকা গোচৰসমূহৰ তদন্ত সম্পর্কীয় বাতৰি প্রকাশত বাধা আৰোপৰ দাবীত তৃণমূল কংগ্রেছৰ সাংসদ অভিষেক বেনার্জীয়ে দাখিল কৰা আবেদন খাৰিজ কৰিছে উচ্চতম ন্যায়ালয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/581

অসম

৪৭ দিনত লাখ লাখ টকাৰ লেনদেন: পাকিস্তান সংযোগৰ সন্দেহ, STFৰ জালত ৬জন

NewzNow ডেস্ক | ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০১



গুৱাহাটী, ২ নৱেম্বৰ: SBIৰ এটা বেংক একাউণ্টত ৪৭ দিনৰ ভিতৰত লাখ লাখ টকাৰ সন্দেহজনক লেনদেনৰ সূত্র ধৰি অসম আৰক্ষীৰ STF-এ গুৱাহাটীৰ পৰা এগৰাকী মহিলাসহ ছয়জন লোকক গ্রেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/496